# অৱতৰণিকা

**বিষয়বস্তুৰ পৰিচয় ঃ**

সমাজৰ সংযুতি মানে হৈছে ব্যক্তিসত্তাৰ মিলিত সহাৱস্থান। একোখন সমাজৰ প্ৰগতিত ব্যক্তিসত্তাৰ বিশেষ গুৰুত্ব আছে। সেই ব্যক্তিসত্তাৰ অন্যতম হ'ল নাৰী আৰু তাৰে মূল **'নাৰীচেতনা'**।

'হেমকোষ' অভিধানত 'চেতন' বা 'চেতনা' শব্দটো এনেদৰে ব্যাখ্যা কৰিছে— (স. চিত, ভাবনা কৰ), জ্ঞান, বোধ, সাৰ পোৱা অৱস্থা, জীৱন, Sense, Sensation, Perception, Consciousness Life, জীৱনী শক্তি, প্ৰফুল্লতা, Animation, বিণ. সচেতন, Animated, sensible, awake, aware, conscious, স. ধা. সচেতন কৰ, সঁজাল, উদ্‌গা, to give life to, to animate, to make aware[১] (হেম বৰুৱা, 'হেমকোষ', পৃষ্ঠা- ৪২০)

'নাৰী' শব্দটোৱে সমাজৰ দুই প্ৰধান সত্তা পুৰুষৰ বিপৰীত সত্তাটোক আৰু 'চেতনা' শব্দটোৱে সচেতন বা জাগ্ৰত অৱস্থাক বুজাইছে। গতিকে 'নাৰীচেতনা' শব্দটোৰ সহজ অৰ্থ হ'ল— নাৰীৰ নিজৰ আৰু সমাজৰ প্ৰতি চিন্তা আৰু ভাব প্ৰকাশৰ স্বাধীন দৰ্শন।

মানৱ সমাজক বাস্তৱ ৰূপত প্ৰতিফলিত কৰা এক শক্তিশালী সাহিত্যিক মাধ্যম হ'ল উপন্যাস। সাহিত্য হ'ল সমাজৰ দাপোণ। সাহিত্যৰ পাততে সামাজিক প্ৰাণী হিচাপে মানুহৰ ভাব-দৰ্শন আৰু চিন্তাৰ সবল প্ৰকাশ প্ৰতিফলিত হয়। উপন্যাসো ইয়াৰ ব্যতিক্ৰম নহয়। উপন্যাসৰ বুকুতো মানৱৰ চিন্তা, দৰ্শন প্ৰভৃতি সমাজৰ প্ৰতিটো দিশ প্ৰতিভাত হয়। সমাজৰ অংগাংগী অংশ ৰূপে নাৰীচেতনাৰ প্ৰতিফলনো উপন্যাস সাহিত্যৰ অন্যতম বিশেষত্বপূৰ্ণ দিশ। নাৰীচেতনাৰ এক শক্তিশালী বহিঃপ্ৰকাশ হ'ল নাৰীবাদী সাহিত্য, যাৰ জৰিয়তে নাৰীচেতনা সম্পৰ্কে আভাস পাব পাৰি।

আমাৰ গৱেষণাৰ বিষয় হ'ল একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা। একবিংশ শতিকা বোলোঁতে আমি চলিত বৰ্ষৰ অৰ্থাৎ ২০২০ চনৰপৰা প্ৰথম কুৰিটা বছৰক সামৰিছোঁ। অৱশ্যে এই কথাও স্বীকাৰ্য যে কোনো সাহিত্যিকে নিৰ্ধাৰিত কেইটামান বছৰৰ ভিতৰতে সাহিত্য ৰচনা নকৰে। সাহিত্যিকৰ সৃষ্টি তেওঁৰ জীৱনজোৰা সাধনাৰ ফচল। সেইবাবেই আমাৰ গৱেষণাত একবিংশ শতিকাৰ পূৰ্বৰ দশকসমূহৰপৰা বৰ্তমান পৰ্যন্ত উপন্যাস লিখি থকা তিনিগৰাকী ঔপন্যাসিকৰ

যোৱা বিশ বছৰৰ নিৰ্বাচিত উপন্যাস-সমগ্ৰক চয়ন কৰা হৈছে।

'নাৰীচেতনা' বুলি ক'বলৈ যাওঁতে সমাজৰ এক সত্তা হিচাপে নাৰীৰ চিন্তা-দৰ্শন, আৱেগ-অনুভূতি, অধিকাৰ, দায়িত্ব, মায়া-মমতা এই সকলো দিশকে সাঙুৰি লোৱা হৈছে। নাৰীবাদো নাৰীচেতনাৰে অংশ। নাৰীচেতনা হৈছে সাৰ্বিক অনুভৱ, কিন্তু নাৰীবাদ হৈছে এক আন্দোলন। নাৰীবাদৰ সৈতে সামাজিক আৰু ৰাজনৈতিক উদ্দেশ্যও নিহিত হৈ থাকে।

ওঠৰ শতিকাৰ শেষৰফালে ফৰাচী বিপ্লৱৰ সময়ত নাৰীৰ অধিকাৰৰ ধাৰণাটোৰ উৎপত্তি হয়। ১৭৯২ চনত ইংৰাজ লেখিকা আৰু পৰৱৰ্তী কালত নাৰী অধিকাৰ আন্দোলনৰ প্ৰধান প্ৰবক্তা মেৰী ৱলষ্টনক্ৰাফট্ (Mary Wolstoncraft)-এ নাৰীবাদ চিন্তাৰ বাটকটীয়া গ্ৰন্থ A Vindication of the Rights of Woman প্ৰকাশ কৰে। ঊনৈশ শতিকাৰ আগভাগত মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ইংলেণ্ডত অগা-পিছাকৈ নাৰীৰ অধিকাৰৰ দাবী আন্দোলন আৰম্ভ হয়। এই আন্দোলনক সমৰ্থন কৰি ইংলেণ্ডত জে. এছ. মিল (১৮০৬-১৮৭৩)-এ On the Subjection of Women (১৮৬৯) আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰত মাৰ্গাৰেট ফুলাৰ (১৮১০-১৮৫০)-এ Women in the Nineteenth Century (১৮৪৫) নামৰ গ্ৰন্থ দুখন প্ৰকাশ কৰে।

মিলে তেওঁৰ গ্ৰন্থখনিত নাৰীৰ যে পুৰুষৰ সৈতে একেধৰণৰ আইনগত অধিকাৰ থাকিব লাগে এই কথা দেখুৱাইছে। তেওঁৰ মতে নাৰীৰ জীয়াই থকাৰ অধিকাৰ যিহেতু নাৰীৰ, সেয়েহে নিজৰ অধিকাৰ সুৰক্ষা কৰাৰ বাবে চৰকাৰৰ নিৰ্বাচন আৰু গঠনত নাৰীৰ ভাগ লোৱাৰ অধিকাৰ থাকিব লাগিব।

"এই গ্ৰন্থত তেওঁ নাৰীৰ যে পুৰুষৰ দৰে একেই আইনগত অধিকাৰ থাকিব লাগে তাক দেখুৱাইছে। যি সমাজত নাৰী পুৰুষৰ দ্বাৰা অৱদমিত আৰু নিষ্পেষিত, সেই সমাজত নাৰী শাৰীৰিক শক্তিৰ দ্বাৰাই চালিত হৈ আছে বুলি বুজিব লাগিব। শাৰীৰিক শক্তিৰে চালিত সমাজ এখনক নিশ্চয় সভ্য সমাজ বুলিব নোৱাৰি। নাৰীক পৰাধীনতাৰ পৰা মুক্ত কৰিবলৈ আইনগত অধিকাৰ পুৰুষৰ সমানেই দিব লাগিব। ইয়াৰ লগতে তেওঁলোকক দিব লাগিব পৰিয়ালটোৰ সম্পত্তি আৰু উপাৰ্জনৰ অধিকাৰ। এনে অধিকাৰ তেওঁলোকক দিব লাগিলে আমি তেওঁলোকক আৰু দিব লাগিব নিজৰ ৰুচি মতে উপাৰ্জন কৰাৰো অধিকাৰ। যি সমাজত নাৰীৰ আইনগত অধিকাৰ নাই, সেই সমাজে নাৰীক পৰাধীন কৰি ৰখাৰ স্বাৰ্থতেই এনেকুৱা অধিকাৰৰপৰা বঞ্চিত

কৰি ৰাখিছে। আইনগত অধিকাৰৰ লগে লগে নাৰীৰ যেতিয়া ওপৰত উনুকিওৱা আনুষংগিক অধিকাৰবোৰো আহি যাব, তেতিয়া স্বাভাৱিকতে নাৰীক ভোটৰ অধিকাৰো দিব লাগিব।”[২]

মিলৰ এই গ্ৰন্থখনে নাৰীবাদী চিন্তাধাৰাৰ বিকাশত যথেষ্ট সহায়কাৰী ভূমিকা লৈছে। প্ৰথম পৰ্যায়ৰ নাৰীবাদী আন্দোলন এশ বছৰ ধৰি চলিছিল। এই আন্দোলনৰ প্ৰধান উদ্দেশ্য আছিল নাৰীৰ নাগৰিক অধিকাৰৰ দাবী সাব্যস্ত কৰা। এই দাবী সাফল্যমণ্ডিত হোৱাৰ পিছতহে নাৰীয়ে সমাজত নিজৰ স্থিতি সম্পৰ্কে জনাৰ অৱকাশ পায়। সেই সময়খিনিলৈকে ছোৱালীৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা হোৱাৰ ফলস্বৰূপে নাৰীয়ে নানান তাত্ত্বিক দিশৰ চিন্তা কৰাৰ সামৰ্থ্যখিনিও গোটাবলৈ সক্ষম হ'ল। প্ৰথম পৰ্যায়ৰ নাৰী অধিকাৰ আন্দোলনৰ ফলস্বৰূপে উচ্চ শিক্ষা আৰু ৰাজহুৱা কৰ্মক্ষেত্ৰখন নাৰীৰ বাবে মুক্ত হোৱাত বহু নাৰীয়ে নিজৰ মেধা আৰু কৰ্মশক্তিৰ পৰিচয় দিবলৈ সক্ষম হ'ল। এই নাৰীসকলৰ ভিতৰত বিজ্ঞানত ন'বেল বঁটা বিজয়ী মেৰী কুৰি, ভাৰতৰ এনী বেছাণ্ট, জাৰ্মানীৰ ৰোজা লুক্সেমবাৰ্গ আৰু ক্লাৰা জেৎকিন, ছিগমাণ্ড ফ্ৰয়েডৰ মহিলা সহযোগীসকলৰ ভিতৰত নিজৰ জীয়েকৰ উপৰি হেলেন ডয়ৎস্, মেলানী ক্লেইন, কেৰেন হৰ্নী আদিৰ নাম উল্লেখনীয়।

ভাৰ্জিনিয়া উল্‌ফ আৰু চিমুন ডা বোভোৱাৰ নাৰীবাদী আন্দোলনৰ দুগৰাকী প্ৰধান হোতা। উল্‌ফৰ A Room of One's Own (১৯২৯) আৰু বোভোৱাৰৰ ফৰাচী ভাষাত লিখা The Second Sex (১৯৪৯) নামৰ গ্ৰন্থ দুখনত নাৰী আন্দোলনত নাৰীৰ সমতা লাভৰ সপোনৰ সাফল্যৰ বিষয়ে লেখকদ্বয়ৰ মনত সৃষ্টি হোৱা আশংকা আৰু অসন্তুষ্টি যথেষ্ট তাৎপৰ্যপূৰ্ণ।

A Room of One's Own গ্ৰন্থৰ স্ৰষ্টা ভাৰ্জিনিয়া উল্‌ফৰ পিতৃ নামজ্বলা বিদ্বান হ'লেও সম্পূৰ্ণ পিতৃতান্ত্ৰিক মনোভাবাপন্ন হোৱাৰ বাবেই জীয়েকক আনুষ্ঠানিক শিক্ষা লাভৰপৰা বঞ্চিত কৰি ৰাখে। পিতৃৰ বৃহৎ গ্ৰন্থাগাৰ আৰু গৃহ শিক্ষয়িত্ৰীৰ সহায়ত উল্‌ফে নিজকে শিক্ষিত কৰি তোলে যদিও ভাতৃসকলৰ নিচিনাকৈ আনুষ্ঠানিক শিক্ষা নোপোৱাৰ ক্ষোভ তেওঁৰ মনত ৰৈ গ'ল। তেওঁৰ এই গ্ৰন্থখন কেম্ব্ৰিজৰ এখন মহিলা কলেজত দিবলগীয়া ভাষণহে আছিল। ইয়াত লেখিকাই পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাত নিজে সন্মুখীন হোৱা বাধা, প্ৰতিবন্ধকতা আদি ব্যাখ্যা কৰিছে। অতি সৰল আৰু ধেমেলীয়া ভংগীৰে উল্‌ফে শক্তিশালী পুৰুষশাসিত আৰু পৰিচালিত সাহিত্য জগতৰ প্ৰতি গ্ৰন্থখনিৰ জৰিয়তে নাৰীৰ দৃষ্টিৰপৰা প্ৰত্যাহ্বান জনায়।

ইয়াৰ বিপৰীতে ফ্ৰান্সৰ শীৰ্ষতম শিক্ষা প্ৰতিষ্ঠানৰপৰা দৰ্শনৰ স্নাতক হৈ ওলোৱা চিমুন ডা

বোভোৱাই The Second Sex গ্ৰন্থখনত উল্লেখ কৰা অনুসৰি নাৰীৰ জীৱন পৰিচৰ্যা পিতৃ, স্বামী, সমাজ আৰু পৰম্পৰাৰ নিৰ্দেশত নিয়ন্ত্ৰিত হ'বলৈ এৰি দিব নোৱাৰি।

"According to De Beauvoir the whole of feminine history is man made. In primtive (agriculture) time, men feared nature and thus created Mother Goddess; with the invention of bronze and other tools patriarchy was firmly established. Women are totally bound with their situation with no control over history. The few 'heroins' are oddities according to De Beauvoir... De Beauvoir writes "The great men spring from the masses and he is propelled onward by circumstances; the masses of women are on the margin of history and circumstances are an obstacle for each individual, not a springboard. In order to change the face of the world, it is first necessary to be firmly anchored in it; but the women who are firmly rooted in society are those who are in subjection to it; unless designated for action by divine authority – and they have shown themselves to be capable as men- the ambitious woman and the heroin are strange monsters. It is only since women have begun to feel themselves at home on the earth that we have seen a Rosa Luxemburg a Mme Curie appear. They brilliantly demonstrate that it is not the inferiority of women that has caused their historical insignificance : it is rather their historical insignificance that has doomed them to inferiority.[৩]

ভাৰ্জিনিয়া উল্ফৰ গ্ৰন্থখনিৰ প্ৰকাশৰ বিশ বছৰৰ পিছত প্ৰকাশ পোৱা বোভোৱাৰৰ এই গ্ৰন্থখনি এখন পাণ্ডিত্যপূৰ্ণ তত্ত্ব আৰু তথ্যৰে ভৰপূৰ গৱেষণা গ্ৰন্থ। উল্ফ আৰু বোভোৱাৰৰ নাৰী অভিজ্ঞতা বিপৰীতধৰ্মী। বোভোৱাৰ নতুন প্ৰজন্মৰ স্বাধীন, শিক্ষিত আৰু স্বাৱলম্বী নাৰী। ইয়াৰ উপৰি বিবাহৰ বান্ধোন আৰু মাতৃত্ব স্ব-ইচ্ছাই বৰ্জন কৰি তেওঁ পুৰুষ আৰু নাৰীৰ বাবে মুক্ত যৌনতাত (Free sex) বিশ্বাসী। তেওঁ পেৰিছৰ অস্তিত্ববাদী বুদ্ধিজীৱী জ্যা পল ছাৰ্ত্ৰেৰ লগত বিবাহপাশত আবদ্ধ নোহোৱাকৈয়ে আজীৱন সম্পৰ্কেৰে পৰিচালিত নাৰী। এই গ্ৰন্থখনিত বোভোৱাৰে ফৰাচী নাৰীৰ জীৱনৰ সকলো দিশ, শৈশৱ, যৌৱনপ্ৰাপ্তি, বিবাহিত জীৱন, মাতৃত্ব, বৃদ্ধাৱস্থা আৰু

পিতৃতান্ত্রিক সমাজৰ সামাজিকীকৰণ প্ৰক্ৰিয়াৰ (socialization process) পৰিণাম দেখুৱাবলৈ বেশ্যাৰ জীৱনকো সামৰি লৈছে।

“তেওঁ সাম্প্ৰতিক নাৰীৰ চৰিত্ৰৰ তিনিটা ৰূপ চিহ্নিত কৰিছে, নাৰ্চিছিষ্ট (Narcissist) নিজৰ ৰূপ-লাৱণ্যতে বিমুগ্ধ নাৰী, প্ৰেমৰ বাবে জীয়াই থকা নাৰী (Woman in Love) পতিভক্তা, মাতৃ; ভক্ত (the mystic) দৈহিক প্ৰেমৰ পৰা বঞ্চিত হৈ ভগৱানতে আত্মহাৰা হোৱা নাৰী। এই তিনিওবিধৰ নাৰী পিতৃতান্ত্রিক সমাজৰে সৃষ্টি। পিতৃতান্ত্রিক সমাজত সদায় পুৰুষৰ প্ৰতিসত্তা (the other) হৈ থকাৰ ফলত নাৰীয়ে এনেদৰে স্ব-অস্তিত্ব হেৰুৱাই পেলাবলগীয়া হোৱা অৱস্থাটোকে বোভোৱাই তেওঁৰ গ্ৰন্থত দেখুৱাইছে।”[৪]

নাৰীবাদক তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি—

(ক) ব্যক্তিবাদী নাৰীবাদ (Individual feminism)

(খ) সমাজবাদী নাৰীবাদ (Sociolist feminism)

(গ) মৌল নাৰীবাদ (Radical feminism)

ব্যক্তিবাদী নাৰীবাদ অনুসৰি পুৰুষৰ দৰে নাৰীও মানুহ। সেয়েহে নাৰীৰ ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়াটো উচিত।

সমাজবাদী নাৰীবাদৰ চিন্তা কাৰ্ল মাৰ্ক্সৰ চিন্তাত নিহিত হৈ আছে। কাৰ্ল মাৰ্ক্সৰ ‘কমিউনিষ্ট মেনিফেষ্টো’ নামৰ ১৮৪৮ চনত প্ৰকাশ পোৱা গ্ৰন্থখনৰ আলমতে ইউৰোপত শ্ৰমিক আন্দোলন গঢ় লৈ উঠে। ঔদ্যোগীকৰণৰ ফলত বহুত মহিলাই উদ্যোগবোৰত শ্ৰমিক হিচাপে অংশগ্ৰহণ কৰাৰ বাবে পুৰুষ শ্ৰমিকসকলে মহিলা শ্ৰমিকসকলক শত্ৰু জ্ঞান কৰিবলৈ আৰম্ভ কৰে। এই কথাৰ প্ৰতি লক্ষ্য ৰাখি কমিউনিষ্ট নেতাসকলে মহিলা শ্ৰমিকসকলক সংগঠিত আৰু সাম্যবাদী আদৰ্শৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰয়োজনবোধ কৰে।

অৱশ্যে কাৰ্ল মাৰ্ক্সে নাৰীবাদ আৰু নাৰীৰ সম-অধিকাৰ সম্পৰ্কে সুকীয়াকৈ লিখি থৈ যোৱা নাই। মাৰ্ক্সৰ মতে, প্ৰতিটো ব্যক্তিসত্তাই যিহেতু একে সময়তে সামাজিক সত্তাও, সেয়েহে তেওঁৰ কাম-কাজ, ধ্যান-ধাৰণা একে সময়তে ব্যক্তিগতও সামাজিকো। তেওঁৰ মতে, ব্যক্তি স্বাধীনতাৰ সদায় এক সামাজিক পৰিণতি আছে। মাৰ্ক্সীয় ধাৰণা অনুসৰি এজন ব্যক্তিয়ে যেতিয়া সকলো কাম-কাজৰ পৰিণতি সম্পৰ্কে সচেতন হ'ব, তেতিয়া তেওঁৰ ওপৰত কোনোধৰণৰ আনুষ্ঠানিক,

পৰম্পৰাগত বা সামাজিক বাধা-নিষেধৰ প্ৰয়োজন নাথাকে।

"According to Marx the fundamental way in which humans relate to non-human nature is via production of the basic necessities such as food and shelter. Any society's production system forms the economic or material base or structure of that society. In negotiating with nature to produce things humans actually engage in social relations with each other to form the relations of production which consitutes of politicolegal system, ideology, philosophy, relegion and culture of a particular society rests."[৫]

মাৰ্ক্সবাদী সমাজবাদে ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ লগতে সকলো ব্যক্তিগত সম্পত্তিক সামূহিক বা ৰাষ্ট্ৰীয় সম্পত্তিলৈ পৰিৱৰ্তন ঘটাটো বিচাৰে। যিহেতু মাৰ্ক্সবাদী ৰাষ্ট্ৰত পৰিয়ালৰ ব্যক্তিগত সম্পত্তিৰ স্থান নাই, গতিকে পত্নীও কাৰো ব্যক্তিগত সম্পত্তি নহয়। প্ৰেম আৰু সংগৰ প্ৰয়োজনীয়তাতহে পুৰুষ-স্ত্ৰীৰ বিবাহিত জীৱন বান্ধি ৰখা হয়। সেয়েহে মাৰ্ক্সৰ মতে ল'ৰা-ছোৱালীও ৰাষ্ট্ৰৰে দায়িত্বৰ আৱৰ্তত। গতিকে দেখা যায় মাৰ্ক্সবাদী সমাজবাদত নাৰীমুক্তি স্বতঃস্ফূৰ্তভাৱেই প্ৰকাশিত হৈছে।

মৌল নাৰীবাদী (Radical feminist)সকলৰ ধাৰণা অনুসৰি এগৰাকী নাৰীয়ে পুৰুষৰ লগত বিবাহপাশত আবদ্ধ হোৱা মানেই নাৰীগৰাকীৰ সকলো স্বাধীনতা বিসৰ্জন দিয়া। এওঁলোকৰ মতে পুৰুষৰ সংগত থাকিলেই যদি পুৰুষে নাৰীৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব খোজে, তেন্তে সেই সংগও নাৰীয়ে ত্যাগ কৰা প্ৰয়োজন। পূৰ্বতে উল্লেখ কৰা চিমুন ডি বোভোৱাৰ এই মৌল নাৰীবাদ বিশ্বাসী নাৰী।

এইখিনিতে এটা কথা উল্লেখনীয় যে মৌল নাৰীবাদে পুৰুষৰ সংগ নিতান্তই বৰ্জনীয় বুলি কোৱা নাই। কিন্তু মৌল নাৰীবাদীসকলৰ মাজৰে এক শ্ৰেণীয়ে পুৰুষৰ সংগ সম্পূৰ্ণৰূপে ত্যাগ কৰি একমাত্ৰ নাৰীৰ সংগতেই জীৱন কটোৱাৰ পক্ষপাতী। এক প্ৰবাদ অনুসৰি খ্ৰীঃ পূঃ সপ্তম শতিকাৰ গ্ৰীক মহিলা কবি ছেফোৱে পুৰুষৰ সংগৰপৰা একেবাৰে আঁতৰি গৈ ইজিয়ান সাগৰৰ লেজবছ্ নামৰ দ্বীপ এটাত কিছুসংখ্যক মহিলা সংগীৰ লগত দিন কটাইছিল। এই লেজবছ্‌ৰ পৰাই 'লেজ্‌বিয়ানিজম' শব্দটো সৃষ্টি হৈছে।

নাৰীবাদ বৰ্তমান যুগৰ সমাজবিজ্ঞানৰ আলোচনাৰ এটি অতি পৰিচিত আৰু চৰ্চিত মতবাদ।

নাৰীবাদী সমালোচক ইলেইন শ্বাৰাল্টাৰ (Elaine Showalter)-এ নাৰীবাদী সাহিত্যত তিনিটা পৰ্যায়ৰ অৱস্থিতিৰ কথা কৈছে। সেইকেইটা হৈছে— নাৰীসুলভ (Feminine), নাৰীবাদী (Feminist) আৰু নাৰীত্ব (Female)।

নাৰী অৱস্থানগত সচেতনতা, লিংগভিত্তিক বৈষম্য, নাৰী-পুৰুষৰ সমান অধিকাৰৰ দাবী আদিৰপৰা সৃষ্টি হোৱা নাৰীবাদ তুলনামূলকভাৱে এটা আধুনিক ধাৰণা।

বিশ্বৰ অন্যান্য পুৰণি সভ্যতাৰ দৰেই ভাৰতীয় সমাজতো পৰম্পৰাগতভাৱে নাৰীৰ সামাজিক স্থান পুৰুষৰ অধীনস্থ আছিল। পৰ্দা প্ৰথা, বাল্যবিবাহ, সতীদাহ আৰু বিধবা-নিগ্ৰহৰ দৰে বিভিন্ন কু-সংস্কাৰৰ প্ৰচলনে নাৰীৰ জীৱন সততে ভাৰাক্ৰান্ত কৰি তুলিছিল। পুৰুষপ্ৰধান ভাৰতীয় সমাজত আদিকালৰ পৰাই নাৰীসকলে পুৰুষৰ ইচ্ছা অনুসৰি জীৱন-যাপন কৰি আহিছে। নাৰীয়ে কোনোদিনেই সাৰ্থক ব্যক্তিত্ব হিচাপে স্বীকৃতি লাভ কৰা নাই। কিন্তু নাৰীৰ অৱদমিত ইচ্ছা-আকাংক্ষাবোৰ ঘটনাচক্ৰত পৰি জাগ্ৰত হোৱাও পৰিলক্ষিত হৈছে।

প্ৰাচীন ভাৰতীয় সমাজৰ তুলনাত বৰ্তমান সময়লৈকে সমাজত নাৰীৰ স্থান পৰ্যায়ক্ৰমে সলনি হৈছে। 'ঋকবেদ'ৰ সময়ত সমাজত নাৰীৰ স্থান উচ্চ আছিল। সমাজগত দিশত নাৰী আৰু পুৰুষৰ কোনো পাৰ্থক্য নাছিল। পুৰুষৰ দৰে নাৰীয়েও শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল।

বৈদিক যুগৰ শেষ ভাগত ৰচিত 'কৌটিলীয় অৰ্থশাস্ত্ৰ'ত উল্লেখ থকা অনুসৰি ভাৰতবৰ্ষত গণিকা প্ৰথা অনুমোদিত আছিল। ছোৱালীৰ বিয়াৰ বাবে গা-ধন লোৱাৰ নিয়ম আছিল। খ্ৰীঃপূৰ্ব ষষ্ঠ-পঞ্চম শতিকাত অৰ্থাৎ গৌতম বুদ্ধৰ সময়তো বৌদ্ধধৰ্ম ৰাজধৰ্ম ৰূপে গৃহীত হোৱাৰ পিছত কিছুসংখ্যক নাৰীয়ে শিক্ষা আৰু স্বাধীনতা লাভ কৰিছিল। বিবাহিত নাৰীসকলক প্ৰধানতঃ পাতিব্ৰত্য আৰু গাৰ্হস্থ্য ধৰ্ম সম্পৰ্কে শিক্ষা দিয়া হৈছিল।

বিদেশী আৰু বিধৰ্মীসকলৰপৰা হিন্দু নাৰীক সুৰক্ষা দিয়াৰ উদ্দেশ্যত আনুমানিক খ্ৰীষ্টিয় প্ৰথম শতিকাৰপৰা দ্বিতীয় শতিকাৰ ভিতৰত 'মনুস্মৃতি' ৰচিত হয়। এই গ্ৰন্থখনিৰ নতুন বিধানে নাৰীক সম্পূৰ্ণৰূপে ঘৰৰ ভিতৰত আবদ্ধ ৰখাৰ ব্যৱস্থা কৰিলে। বিবাহকাৰ্য বাধ্যতামূলক কৰাৰ লগতে নাৰীৰ শিক্ষা গ্ৰহণৰ বাটবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হ'ল। সন্তান জন্ম দিয়া, প্ৰতিপালন কৰা আৰু ঘৰ-গৃহস্থালিৰ কৰ্মহে নাৰীৰ বাবে নিৰূপিত হ'ল।

মনুৱে সকলো ক্ষেত্ৰতে পুৰুষৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰিছিল। তেওঁৰ মতে গুণী পুৰুষৰ সৈতে

বিয়া হ'লে পাপী নাৰীও পুৰুষৰ গুণেৰে সমৃদ্ধ হয়। স্বামী মদপী আৰু দুৰাচাৰী হ'লেও পত্নীগৰাকী পতিব্ৰতা হৈ থকা উচিত। কিয়নো নাৰী কেতিয়াও স্বতন্ত্ৰ হ'ব নোৱাৰে। ব্ৰাহ্মণ্য ধৰ্মৰ পালনীয় আচাৰ-ব্যৱহাৰ, ক্ৰিয়া-কলাপ আৰু কৰ্তব্যৰ বিধান প্ৰধানকৈ মনুসংহিতাৰ দ্বাৰা নিৰ্ধাৰণ কৰা হৈছে। এই মনুসংহিতা বা ধৰ্মশাস্ত্ৰৰ যুগতেই নাৰীক সামগ্ৰিকভাৱে পুৰুষৰ পদানত কৰি প্ৰায় পশুৰ শাৰীলৈ অৱনমিত কৰা হৈছে।

ভাৰতীয় জনসাধাৰণৰ আদৰ্শস্বৰূপ 'ৰামায়ণ' আৰু 'মহাভাৰত'ৰ 'সীতা' আৰু 'দ্ৰৌপদী'কো ভোগ্যবস্তুৰ দৰেই প্ৰক্ষেপ কৰা হৈছে।

"ভাৰতবৰ্ষৰ অতীত ইতিহাস পৰ্যালোচনা কৰিলে এই কথা স্পষ্টভাৱে প্ৰতীয়মান হয় যে আৰ্যসকলে তেওঁলোকৰ পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থালৈ গতি কৰাৰ পিছৰ পৰাই ভাৰতবৰ্ষত নাৰী অৱদমনৰ ইতিহাস আৰম্ভ হয়। বৈদিক যুগৰ শেষভাগত উন্নতমানৰ সঁজুলি ব্যৱহাৰ কৰি কৃষিকাৰ্য আৰম্ভ কৰাৰ বাবে নাৰীৰ শাৰীৰিক দুৰ্বলতাৰ সুবিধা লৈ পুৰুষৰ প্ৰাধান্য বৃদ্ধি পায় আৰু আৰ্যসকলৰ পিতৃতান্ত্ৰিক সমাজ গঠনৰ ভেটি দৃঢ় হয়। পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ স্থায়ীকৰণৰ প্ৰয়োজনতেই নাৰীৰ অৱদমনৰ ইতিহাস ৰচিত হয়।"[৬]

ঊনবিংশ শতিকালৈকে ভাৰতবৰ্ষৰ সামাজিক-সাংস্কৃতিক চিন্তাধাৰাত নাৰী-স্থানৰ উল্লেখযোগ্য পৰিৱৰ্তন পৰিলক্ষিত নহয়। পাশ্চাত্যৰ তুলনাত ভাৰতবৰ্ষ আৰু অসমত নাৰীৰ স্বাধীনতা অথবা অধিকাৰ প্ৰাপ্তিৰ দাবীত তীব্ৰ আন্দোলনৰ স্ফুলিংগ লক্ষ্য কৰা নাযায়। ইয়াৰ মূলতে কেইবাটাও কাৰকে প্ৰভাৱ বিস্তাৰ কৰি আছিল। ভাৰতীয় পুৰুষতান্ত্ৰিক সমাজ-ব্যৱস্থা, দীৰ্ঘদিনজুৰি চলি অহা সামাজিক প্ৰস্থিতি, নাৰীৰ সংস্কাৰ, শিক্ষা, অৰ্থনীতি আদি বহুবোৰ কাৰকে নাৰীক এক সীমিত পৰিসৰতে আবদ্ধ কৰি ৰাখিছিল। কিন্তু ভাৰতবৰ্ষ যেতিয়া ইংৰাজ কোম্পানীৰ শাসনলৈ আহিল, শিক্ষা আৰু সমাজ-ব্যৱস্থাতো নানান পৰিৱৰ্তন হ'বলৈ ধৰিলে আৰু লাহে লাহে নাৰীচেতনা বা নাৰীবাদী চিন্তা-চৰ্চা আৰু নাৰীৰ অধিকাৰৰ প্ৰশ্নসমূহ জাগ্ৰত হ'বলৈ আৰম্ভ কৰিলে।

ভাৰতীয় সমাজত ঊনবিংশ আৰু বিংশ শতিকাৰ প্ৰথম ভাগতে নাৰীকেন্দ্ৰিক সামাজিক জাগৰণ আৰম্ভ হৈছিল। এনে জাগৰণৰ গুৰি ধৰিছিল ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদি পাশ্চাত্যকেন্দ্ৰিক উদাৰনৈতিক মানৱতাবাদী সমাজ সংস্কাৰক আৰু ইংৰাজ প্ৰশাসকসকলে।

সময়ৰ লগে লগে ভাৰতীয় লোকসকলৰ মনত দেশ স্বাধীনতাৰ লগতে ব্যক্তিমনৰ বা

ব্যক্তিগত স্বাধীনতাৰ বিষয়টোৰেও প্ৰভাৱ বিস্তাৰ কৰি এটা জাগৰণ সৃষ্টি কৰিছিল। এনে ঘটনাৰ ফলস্বৰূপে ভাৰতীয় নাৰীয়ে স্বাধীনভাৱে ৰাজনীতিত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। এনে ঘটনাৰ আলমতে ১৯১৭ চনত 'Women's Indian Association' গঠন কৰা হয় আৰু ১৯২৭ চনত ‘নিখিল ভাৰত মহিলা সন্মিলন’ গঠিত হয়। মহাত্মা গান্ধীয়েও নাৰী শিক্ষাৰ লগতে নাৰীৰ কল্যাণৰ বাবে বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা সমাজত জাগৰণ সৃষ্টি কৰিছিল।

অসমতো ১৯১৫ চনত উজনি অসমৰ ডিব্ৰুগড়ত ‘ডিব্ৰুগড় মহিলা সমিতি’ আৰু ১৯১৭ চনত ‘নগাঁও মহিলা সমিতি’ গঠন হৈছিল। ইয়াৰ পিছত ১৯২৬ চনত ‘অসম মহিলা সমিতি’ নামৰ সুকীয়া মহিলা সংগঠন এটাও গঠন কৰা হয়।

এনেদৰে লাহে লাহে ভাৰতৰ অন্য প্ৰান্তৰৰ পটভূমিৰ সমান্তৰালকৈ অসমতো নাৰীচেতনাৰ বিষয়টোক লৈ এটা জাগৰণ আৰম্ভ হ’ল। চন্দ্ৰপ্ৰভা শইকীয়ানী, ৰাজবালা দাসৰ দৰে নাৰীয়ে এনে জাগৰণৰ বাট দেখুৱাই আগুৱাই নিছিল।

অসমীয়া সমাজত নাৰী-পুৰুষৰ অধিকাৰ বা স্বাধীনতাক লৈ নাৰীসকল সংগঠিত হ’লেও অসমীয়া সাহিত্যত, বিশেষকৈ অসমীয়া উপন্যাস সাহিত্যত নাৰীৰ সমস্যা, অধিকাৰ তথা কল্যাণৰ বাবে লেখামেলা বিংশ শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকতহে প্ৰকাশ পাবলৈ ধৰে; কিন্তু এই প্ৰকাশো পুৰুষ সাহিত্যিকৰ দ্বাৰাহে সংঘটিত হৈছিল। উদাৰ সংস্কাৰকামী পুৰুষ লেখকসকলৰ দুই-এজনে নাৰীৰ অধিকাৰৰ সম্পৰ্কে সাহিত্য চৰ্চাৰ জৰিয়তে এটা জাগৰণ সৃষ্টি কৰিছিল।

অসমীয়া উপন্যাস সাহিত্যৰ জৰিয়তে নাৰীবাদী চেতনা প্ৰকাশ পাইছিল বিশেষকৈ ৰজনীকান্ত বৰদলৈৰ উপন্যাস **‘ৰহদৈ লিগিৰী’** (১৯৩০)তে। ৰহদৈয়ে ম’হৰ পিঠিত উঠি ম’হ চৰাই থকা দেখি দয়াৰামে ৰহদৈক উদ্দেশ্যি কয় যে মাইকী মানুহ জন্তুৰ পিঠিত উঠিলে ভাল নেদেখি আৰু তাৰ উত্তৰত তাই কৈছে— ম’হত উঠি ফুৰাটো যদি বেয়া, তেন্তে দুৰ্গাগোসানীয়ে যে সিংহ এটাৰ ওপৰত উঠি থাকে; সেইটো কিয় সিহঁতে বেয়া নেদেখে। এনে কথাৰ অৱতাৰণাৰ জৰিয়তে অসমীয়া নাৰীৰ হৃদয়ত ক্ৰমাৎ জাগ্ৰত হৈ উঠা নাৰীচেতনাৰ আভাস পোৱা যায়।

ৰজনীকান্ত বৰদলৈৰ পৰৱৰ্তী লেখক দণ্ডীনাথ কলিতাৰ **‘সাধনা’** (১৯২৮) উপন্যাসখনিতো নাৰীচেতনা প্ৰকাশ পাইছে। এই উপন্যাসতো ইংৰাজ শাসনকালৰ সমকালীন অসমীয়া সমাজৰ নাৰী শিক্ষা আৰু সমস্যা প্ৰধানকৈ অংকন কৰা হৈছে। তেখেতৰ উপন্যাসত নাৰী মানসিকতা

আৰু গান্ধীবাদী আদৰ্শ তথা সামাজিক মূল্যবোধ সম্পৰ্কে বৰ্ণিত হৈছে। বিশেষকৈ উপন্যাসৰ নায়ক দীনবন্ধু আৰু নায়িকা প্ৰভাৰ মাজত আদান-প্ৰদান হোৱা চিঠি-পত্ৰৰ জৰিয়তে দেশৰ মংগল তথা প্ৰগতিৰ বাবে ছোৱালী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰাৰ মানসিকতা প্ৰতিফলিত হৈছে।

**'পিতৃভিঠা'** (১৯৩৭) নাৰীৰ দ্বাৰা ৰচিত প্ৰথম নাৰীবাদী উপন্যাস। এই উপন্যাসখন চন্দ্ৰপ্ৰভা শইকীয়ানীৰ দ্বাৰা ৰচিত হৈছিল। উপন্যাসখনত ঔপন্যাসিকে নায়ক-নায়িকাৰ ৰোমাণ্টিক প্ৰেম আৰু সংঘাতৰ মাজেৰে নাৰীসত্তাৰ স্বৰূপ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। পৰৱৰ্তী সময়ত বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ **'চিনাকী সুঁতি'** (১৯৭১) আৰু **'ডাইনী'**ত (১৯৭৬) নাৰীচেতনাৰ কিছু আভাস পোৱা যায়।

ভবেন্দ্ৰ নাথ শইকীয়াৰ উপন্যাসত বলিষ্ঠ ৰূপত নাৰীবাদী চেতনা প্ৰকাশিত হৈছে। শইকীয়াৰ **'অন্তৰীপ'** (১৯৮৬) উপন্যাসত বৰ্ণিত কাহিনীৰ নায়িকা মেনকা চাৰিটা সন্তানৰ মাতৃ হোৱাৰ পিছতো আদহীয়া স্বামীয়ে কম বয়সীয়া কিৰণক বিয়া কৰাই আনিলে। তদানীন্তন অসমীয়া সমাজত পুৰুষে দ্বিতীয় বা তৃতীয় বিবাহ কৰাটো অস্বাভাৱিক নাছিল। কিন্তু 'অন্তৰীপ'ৰ **মেনকা**ই এই স্বাভাৱিক পৰম্পৰাৰ বিৰুদ্ধে গৈ স্বামীৰ বৰ্তমানতো মদন চোৰৰ ঔৰসত **'ধ্ৰুৱ'**ক জন্ম দিয়ে। এই উপন্যাসখন প্ৰচলিত পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ প্ৰতিবাদী আৰু বলিষ্ঠ চেতনাৰ এক শক্তিশালী প্ৰকাশ আৰু নাৰীৰ মন-মস্তিষ্কত ক্ৰমাৎ জাগৰিত হৈ অহা স্বাভিমানৰ উকমুকনি ৰূপে প্ৰতিভাত হৈছে।

১৯৮৬ চনত নিৰুপমা বৰগোহাঞিৰ **'অন্য জীৱন'** উপন্যাসখন প্ৰকাশ পায়। এই উপন্যাসখনত বৰগোহাঞিয়ে সচেতনভাৱে নাৰীবাদী আদৰ্শ ৰূপায়ণ কৰাৰ চেষ্টা কৰিছে। উপন্যাসখনত পুৰুষপ্ৰধান সমাজত নাৰীৰ মাজত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ উপস্থাপন দেখা যায়।

মামণি ৰয়ছম গোস্বামীৰ **'নীলকণ্ঠী ব্ৰজ'** (১৯৭৬) উপন্যাসত নাৰীচেতনা প্ৰকাশ পাইছে। ঘটনাৰ পটভূমি ব্ৰজধামৰ বিধৱা নাৰীৰ কৰুণগাথা। ইয়াৰ জৰিয়তে সেই নাৰীসকলৰ কৰুণ অৱস্থাৰ চিত্ৰণৰ লগতে নাৰীৰ স্বৰূপ প্ৰকাশৰ চেষ্টা কৰিছে।

অৰূপা পটঙ্গীয়া কলিতাৰ **'মৃগনাভি'** (১৯৮৭) উপন্যাসতো নাৰীৰ স্বৰূপ প্ৰকাশ পাইছে। ইয়াত এগৰাকী নাৰীৰ বৈধব্য যাতনা আৰু হিন্দু সমাজৰ সংস্কাৰে নাৰীক কেনেদৰে আগুৰি থাকে

তাৰ প্ৰকাশ দেখা যায়। অতি সংবেদনশীলভাৱে নাৰীৰ হৃদয়ত পুঞ্জিত আশা আৰু আশাভংগৰ বেদনা এই উপন্যাসখনত দেখা যায়।

এইখিনিতে এটা কথা উনুকিয়াই থোৱাটো উচিত হ'ব যে আমাৰ গৱেষণা-কাৰ্যত 'নাৰীবাদ' বিষয়টোক প্ৰাধান্য নিদি নাৰীচেতনাৰ দিশটোকহে সামৰা হৈছে। নাৰীচেতনাক নাৰীবাদৰ এটা সামান্য অংশ জ্ঞান কৰিব পাৰি যদিও নিশ্চিতভাৱেই নাৰীচেতনা আৰু নাৰীবাদ একে নহয়। নাৰীচেতনা মানৱজীৱনৰ বিশেষকৈ নাৰী মানসিকতাৰ স্বতঃস্ফূৰ্ত অভিব্যক্তি। কিন্তু নাৰীবাদ একপ্ৰকাৰৰ উদ্দেশ্যধৰ্মী গণ আন্দোলন।

পূৰ্বতেই উল্লেখ কৰা হৈছে যে 'নাৰীচেতনা' শব্দটোৱে নাৰীৰ নিজৰ আৰু সমাজৰ প্ৰতি চিন্তা আৰু ভাব প্ৰকাশৰ স্বাধীন দৰ্শনৰ দিশবোৰক সামৰি লয়। প্ৰতিগৰাকী নাৰীয়ে কম-বেছি পৰিমাণে নাৰীচেতনাসমৃদ্ধ। কিন্তু প্ৰত্যেকগৰাকী নাৰীকে নাৰীবাদী বুলি আখ্যা দিব নোৱাৰি। এগৰাকী নাৰীৰ দায়িত্ব, কৰ্তব্য, মায়া-মমতা, সুন্দৰতাৰ প্ৰতি আকৰ্ষণ, জৈৱিক কামনা-বাসনাৰ স্বৰূপ, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত প্ৰতিফলিত সচেতনতা, সৃষ্টিশীলতা আদি নাৰীচেতনাৰ অন্তৰ্গত। ইয়াৰ লগতে নাৰীৰ প্ৰতিবাদী ৰূপো নাৰীচেতনাৰে এক অংশ হ'লেও আমাৰ গৱেষণাকৰ্মৰ নিৰ্বাচিত উপন্যাসসমূহৰ নাৰী চৰিত্ৰসমূহত সকলোৰে সবল প্ৰতিবাদ পৰিলক্ষিত হোৱা নাই। এই গৱেষণা-কাৰ্যত নাৰীচেতনাসমৃদ্ধ উপন্যাসসমূহৰ আলোচনাৰ জৰিয়তে একবিংশ শতিকাৰ বিগত বিশটা বছৰত নাৰীৰ জীৱনশৈলীত প্ৰতিভাত হোৱা নানান পৰিৱৰ্তনৰ চিত্ৰ অংকিত হৈছে।

সমকালীন অসমীয়া সাহিত্যতো নাৰীচেতনা জড়িত কেইবাখনো উপন্যাস ৰচিত হৈছে যদিও গৱেষণা গ্ৰন্থৰ বিষয় আৰু কলেৱৰৰ বিস্তৃতিলৈ লক্ষ্য ৰাখি এইসমূহৰ আলোচনাৰ পৰা বিৰত থকা হ'ল।

**গৱেষণাৰ উদ্দেশ্য ঃ**

এখন সুস্থ সমাজ গঠনত পুৰুষ আৰু নাৰীৰ সমানে অৱদান আছে। পুৰুষ আৰু নাৰী এই দুই সত্তা এটা আনটোৰ প্ৰতিদ্বন্দ্বী নহয়, বৰঞ্চ পৰিপূৰকহে। তেনেক্ষেত্ৰত নাৰীয়ে পুৰুষৰ সৈতে শিক্ষা বা সামাজিক ক্ষেত্ৰত সমানে আগুৱাই যোৱাটোৱে কাম্য, কিন্তু বহুক্ষেত্ৰত দেখা

দেখা যায় যে বহু অধিকাৰৰ পৰা নাৰীসকল এতিয়াও বঞ্চিত হৈ ৰৈছে বা তেওঁলোকক বঞ্চিত কৰা হৈছে। বহু লেখকে এই সামাজিক শোষণৰ বিৰুদ্ধে হাতত কলম তুলি লৈছে আৰু প্ৰতিবাদ বা সজাগতাৰ সৃষ্টি কৰিছে। এনে প্ৰগতিশীল লেখকসকলৰ ভিতৰত ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্য অন্যতম। এই তিনিওগৰাকী ঔপন্যাসিকৰ প্ৰায়খিনি উপন্যাসতে বাস্তৱ জীৱনৰ বিভিন্ন নাৰী চৰিত্ৰৰ প্ৰতিফলন দেখা পোৱাৰ লগতে সেই নাৰীৰ চিন্তা-চেতনাসমূহো বিশেষ ভূমিকাৰে প্ৰোজ্জ্বল হৈ উঠিছে। আমাৰ গৱেষণাকৰ্মৰ উদ্দেশ্য হিচাপে তলৰ দিশকেইটা সামৰি লোৱা হৈছে—

(ক) নাৰীচেতনাৰ সংজ্ঞা, স্বৰূপ আৰু বিভিন্ন সমালোচকৰ সূত্ৰ (Theory)সমূহ বিশ্লেষণ কৰি সাম্প্ৰতিক অসমীয়া সমাজত নাৰীচেতনা বিষয়টি কি পৰ্যায়ত আছে তথা সমকালীন অসমীয়া উপন্যাস সাহিত্যত তাৰ প্ৰতিফলন কিদৰে ঘটিছে, সেই সম্পৰ্কে আলোচনা কৰা।

(খ) একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীৰ জীৱনশৈলী সম্পৰ্কে আলোচনা কৰা।

(গ) একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীৰ সম-অধিকাৰৰ বিষয়টো কিমানদূৰ সফল হৈছে, সেই বিষয়ে আলোকপাত কৰা।

(ঘ) পৰম্পৰাগত নীতি-নিয়মৰ বান্ধোনে নাৰীৰ জীৱনত কেনেদৰে প্ৰভাৱ বিস্তাৰ কৰিছে সেই বিষয়ে দৃষ্টি নিক্ষেপ কৰা।

(ঙ) একবিংশ শতিকাৰ অসমীয়া উপন্যাসৰ নাৰীয়ে আনুষ্ঠানিক শিক্ষা তথা ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু ব্যক্তিগত স্বাতন্ত্ৰ্য কিদৰে উপভোগ কৰিছে আৰু তাৰ লগতে নাৰীসকল কেনেদৰে নিষ্পেষিত, পীড়িত হ'বলগীয়া হৈছে, সেই দিশসমূহ অধ্যয়ন কৰা।

এইখিনিতে পূৰ্বতে কৈ অহা এটা কথা এবাৰ উনুকিয়াই থোৱা ভাল যে নাৰীবাদো নাৰীচেতনাৰে এক অংশ। কিন্তু নাৰীবাদ আৰু নাৰীচেতনা একে নহয়। নাৰীবাদী মাত্ৰকতে নাৰী চেতনাপ্ৰযুক্ত। কিন্তু প্ৰতিগৰাকী নাৰীচেতনাৰে সমৃদ্ধ ব্যক্তিয়েই নাৰীবাদী নহ'বও পাৰে। আমাৰ গৱেষণা-গ্ৰন্থত প্ৰস্তাৱিত ঔপন্যাসিককেইগৰাকী আৰু তেওঁলোকৰ সৃষ্টিৰাজিৰ মাজেৰে প্ৰতিভাত নাৰীচেতনাৰ বিভিন্ন দিশহে বিশ্লেষণ কৰিবলৈ লোৱা হৈছে। নাৰীবাদী বিষয়প্ৰৱাহ বিশ্লেষণে

তাত স্বতঃস্ফূৰ্তভাৱেই ঠাই পাব। কিন্তু প্ৰস্তাৱিত উপন্যাসকেইখনৰ নাৰীবাদ সম্পৰ্কীয় বিশ্লেষণ আমাৰ গৱেষণাৰ আওতালৈ অনা হোৱা নাই।

**অধ্যয়নৰ পৰিসৰ ঃ**

গৱেষণা-গ্ৰন্থৰ শিৰোনাম নিৰ্বাচিত লেখকত্ৰয়ৰ উপন্যাস যদিও আমাৰ গৱেষণাত প্ৰতিগৰাকী ঔপন্যাসিকৰ তিনিখনকৈ উপন্যাসকহে চয়ন কৰা হৈছে। ইয়াৰ মূল কাৰণ হ'ল যে উল্লিখিত নখন উপন্যাসত নাৰীচেতনাৰ বিষয়টো স্পষ্ট আৰু শক্তিশালী ৰূপত প্ৰতিষ্ঠিত হৈছে। লেখকত্ৰয়ৰ অন্যান্য উপন্যাসসমূহ মূলতঃ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি অন্যান্য দিশসমূহক ভেটি কৰি প্ৰতিষ্ঠিত। অৱশ্যে আলোচনা প্ৰসংগত এইসমূহ উপন্যাসো কম-বেছি পৰিমাণে আমাৰ গৱেষণালৈ নহাকৈ থকা নাই। তথাপিও গৱেষণাকৰ্মৰ কেন্দ্ৰবিন্দু ৰূপে **ৰীতা চৌধুৰীৰ 'ৰাজীৱ ঈশ্বৰ', 'দেওলাংখুই', 'এই সময় সেই সময়'; অনুৰাধা শৰ্মা পূজাৰীৰ 'নাহৰৰ নিৰিবিলি ছাঁ', 'চাহেবপুৰাৰ বৰষুণ', 'মেৰেং' আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ 'অৰুন্ধতী', 'বৰদোৱানী', 'যমুনা' এই নখন উপন্যাসক বাছি লোৱা হৈছে**। প্ৰসংগক্ৰমে অসমীয়া উপন্যাসত প্ৰতিফলিত নাৰীচেতনা বিষয়টোৰ সৈতে খাপ খোৱাকৈ অসমীয়াৰ ভগ্নী ভাষা বাংলা আৰু উড়িয়াৰ লগতে হিন্দী আৰু ইংৰাজী ভাষাত প্ৰাপ্ত সমধৰ্মী উপন্যাস কেইখনমানৰো একোটিকৈ চমু অৱলোকন আগবঢ়োৱা হৈছে। ইয়াৰ দ্বাৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো নাৰীৰ অনুভৱ আৰু চেতনা সম্পৰ্কে পাঠক কিছু জ্ঞাত হ'ব পাৰিব বুলি আমাৰ বিশ্বাস।

**গৱেষণাৰ পদ্ধতি ঃ**

'একবিংশ শতিকাৰ অসমীয়া উপন্যাসত নাৰীচেতনা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' (ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী আৰু মণিকুন্তলা ভট্টাচাৰ্যৰ নিৰ্বাচিত উপন্যাসৰ বিশেষ উল্লিখনেৰে) বিষয়ক গৱেষণা-কাৰ্য হ'ব সম্পূৰ্ণৰূপে পাঠভিত্তিক। গৱেষণাৰ বাবে প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰা হ'ব। প্ৰয়োজন সাপেক্ষে তুলনামূলক আৰু ঐতিহাসিক বা সমাজতত্ত্বমূলক পদ্ধতিও গ্ৰহণ কৰা হ'ব।

**তথ্য আহৰণৰ উৎস ঃ**

গৱেষণাৰ মুখ্য সমল হিচাপে নিৰ্বাচিত উপন্যাসসমূহ আৰু গৌণ সমল ৰূপে বিভিন্ন প্ৰাসংগিক গ্ৰন্থ, আলোচনী আদিৰ উপৰি অভিজ্ঞ ব্যক্তিৰ ধাৰণা আৰু মন্তব্যকো গ্ৰহণ কৰা হৈছে।

**পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা ঃ**

সমগ্ৰ বিশ্বৰ লগতে ভাৰতীয় আৰু অসমীয়া সাহিত্যতো নাৰীবাদী চিন্তা-চেতনা সম্পৰ্কে আলোচনা হৈ আছে। সাম্প্ৰতিক কালত নাৰীবাদী চিন্তা-চেতনাই বিদ্যায়তনিক দিশতো যথেষ্ট গুৰুত্ব লাভ কৰা দেখা যায়।

অসমীয়া সাহিত্য জগতত নাৰীচেতনা, নাৰীৰ অধিকাৰ আৰু স্বাভিমান, আত্মমূল্যায়ন আৰু আত্মপ্ৰতিষ্ঠা আদি অলেখ বিষয়ক মূল হিচাপে লৈ ৰচিত উপন্যাসসমূহৰ কিছুমানৰ বিষয়ে গৱেষণা-গ্ৰন্থ, প্ৰবন্ধ আদি ৰচিত হৈছে আৰু কিছুমানৰ বিষয়ে হ'বলৈ এতিয়াও বাকী আছে। বৰ্তমান পৰ্যন্ত আমাৰ হাতত পৰা তথ্য অনুযায়ী **অৰ্পণা মহন্তই— 'তগৰৰ দুখ-দোষ আৰু অন্যান্য প্ৰবন্ধ'** (১৯৯৯), গোবিন্দপ্ৰসাদ শৰ্মাই **'নাৰীবাদ আৰু অসমীয়া উপন্যাস'** (২০০৭), আনন্দ বৰমুদৈয়ে **'নাৰীবাদী আন্দোলন আৰু নতুন নাৰী'** (২০০৭), মীৰা দেৱীয়ে **'নাৰীবাদী আন্দোলন আৰু অসমীয়া মহিলা ঔপন্যাসিকা'** (২০১২), মীৰা দেৱীয়ে **'অসমীয়া উপন্যাসত নাৰীৰ স্থান'**, শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াই **'মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নাৰী'**, কৰবী দাসে **'অসমীয়া লোক-সাহিত্যত নাৰী আৰু নাৰী মনস্তত্ত্বৰ প্ৰতিফলন ঃ এটি অধ্যয়ন'**, সবিতা মজুমদাৰে **'চৈয়দ আব্দুল মালিকৰ উপন্যাসত নাৰী চৰিত্ৰ** (১৯৭০ পৰ্যন্ত)', সুগন্ধি দাসে **'ভবেন্দ্ৰ নাথ শইকীয়াৰ সৃষ্টিশীল সাহিত্যত নাৰী জীৱনৰ চিত্ৰ'**, মৌচুমী বৰদলৈয়ে **'সাম্প্ৰতিক কালৰ মহিলা ঔপন্যাসিকৰ উপন্যাস ঃ এটি অধ্যয়ন'**, খঞ্জন কুমাৰ দাসে **'অসমীয়া লেখিকাৰ উপন্যাসত নাৰীবাদ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন'**, প্ৰণৱ প্ৰসাদ বৰাই **'অসমীয়া বাৰ্তালোচনীত নাৰী ভাবনা ঃ এটি অধ্যয়ন'**, দীপামণি বৰ্মনে **'লিংগ অধ্যয়নৰ আলোকত অসমীয়া উপন্যাস'** আদি আলোকসন্ধানী গৱেষণা-গ্ৰন্থ ৰচনা কৰিছে।

ড° সত্যেন্দ্ৰনাথ শৰ্মাই **'অসমীয়া উপন্যাসৰ ভূমিকা'** নামৰ গ্ৰন্থখনিত সম্যকভাৱে অসমীয়া উপন্যাসত নাৰীবাদ সম্পৰ্কে এটি আলচ দাঙি ধৰিছে।

ইয়াৰ উপৰি ন-পুৰণি কাকত-আলোচনীত নাৰীবাদ আৰু অসমীয়া উপন্যাসত ইয়াৰ প্ৰতিফলন জাতীয় প্ৰবন্ধও ছেগাচোৰোকাকৈ প্ৰকাশিত হৈ আহিছে।

এনেদৰে মুখ্য সমল ৰূপে নিৰ্বাচিত উপন্যাস-সমগ্ৰৰ মূল পাঠ পঠনৰ জৰিয়তে বিশ্লেষণাত্মক পদ্ধতি ব্যৱহাৰ কৰি পূৰ্বকৃত অধ্যয়নৰ আলোকত সম্পূৰ্ণ বিদ্যায়তনিকভাৱে শৈক্ষিক শৃংখলাৰ আৱৰ্তত আমাৰ গৱেষণা-গ্ৰন্থ প্ৰস্তুত কৰাৰ প্ৰযত্ন কৰা হ'ব।

## প্ৰসংগটীকা


১। হেমচন্দ্ৰ বৰুৱা ঃ নতুন সংস্কৰণ হেমকোষ, প্ৰকাশক দেৱানন্দ বৰুৱা, হেমকোষ প্ৰকাশন, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৩, চতুৰ্দশ প্ৰকাশ- ২০১১, পৃষ্ঠা নং- ৪২০

২। গোবিন্দ প্ৰসাদ শৰ্মা ঃ নাৰীবাদ আৰু অসমীয়া উপন্যাস, প্ৰকাশক ড° অসমী গগৈ, সচিব অসম প্ৰকাশন পৰিষদ, গুৱাহাটী- ২১, তৃতীয় সংস্কৰণ- জুন, ২০১৬

৩। বিনীতা মজুমদাৰ ঃ এ চৰ্ট ইণ্ট্ৰোডাক্চন টু ফেমিনিষ্ট থিয়ৰী (a short introduction to Feminist Theory) প্ৰকাশক, অনিল আচাৰ্য, অনষ্টুপ, ২ই নবীন কুণ্ডু লেন, কলকতা- ৭০০০০৯, দ্বিতীয় সংস্কৰণ ছেপ্টেম্বৰ, ২০১০

৪। অপৰ্ণা মহন্ত ঃ নাৰীবাদ, প্ৰকাশক-পঞ্জীয়ক, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়- ৭৮৬০০৪, প্ৰথম প্ৰকাশ- ২০১৮, পৃষ্ঠা নং- ৮৮

৫। বিনীতা মজুমদাৰ ঃ এ চৰ্ট ইণ্ট্ৰোডাক্চন টু ফেমিনিষ্ট থিয়ৰী, (A Short Introduction to Feminist Theory) প্ৰকাশক- অনিল আচাৰ্য, অনুষ্টুপ, ২ই নবীন কুণ্ডু লেন, কলকাতা ৭০০০০৯, দ্বিতীয় সংস্কৰণ, ছেপ্টেম্বৰ, ২০১০

৬। আল্পনা সৰকাৰ ডেকা ঃ ঊনবিংশ শতিকাৰ পটভূমিত অসমীয়া নাৰী, অসম পাব্লিচিং কোম্পানী, কলেজ হোষ্টেল ৰোড, পাণবজাৰ, গুৱাহাটী-১, দ্বিতীয় সংস্কৰণ- ২০১৯